অধ্যায় ৮ ঃ গুপ্তসকলৰ পৰৱৰ্তী যুগত হোৱা সাহিত্যৰ বিকাশ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গুপ্তসকলৰ পৰৱৰ্তী যুগত সাহিত্যৰ বিকাশ
৮.৩.১ সংস্কৃত সাহিত্য
৮.৩.২ (তামিল) সঙ্গম সাহিত্য
৮.৩.৩ ধৰ্মনিৰপেক্ষ সাহিত্য
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গুপ্ত যুগৰ পৰৱৰ্তী সময়ছোৱাত সাহিত্যৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- সেই সময়ত সংস্কৃত সাহিত্যৰ বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব, আৰু
- গুপ্ত যুগৰ পৰৱৰ্তী কালত সঙ্গম (তামিল) সাহিত্য আৰু ধৰ্মনিৰপেক্ষ সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি উত্তৰ গুপ্ত যুগত হোৱা, ভাস্কয্য আৰু চিত্রকলাৰ বিকাশৰ বিষয়ে আলোচনা কৰিছিলোঁ। এই অধ্যায়ত আমি গুপ্তসকলৰ পৰৱৰ্তী যুগত সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিম।

গুপ্ত যুগৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতত নতুন ধৰণৰ সাহিত্যিক প্ৰথাৰ আৰম্ভণিৰ সাক্ষ্য আছিল। বিভিন্ন সাহিত্যিক যেনে - বাণভট্ট, ভৱভূতি, ভাস, বিলহান আদিয়ে ভাৰতীয় সাহিত্যৰ বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সেই কাৰণে আমি এই গোটত উত্তৰ গুপ্ত যুগৰ সংস্কৃত, ধৰ্মনিৰপেক্ষ আৰু সঙ্গম বা তামিল সাহিত্যৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰিম।

৮.৩ গুপ্তসকলৰ পৰৱৰ্তী যুগত সাহিত্যৰ বিকাশ

উত্তৰ গুপ্ত যুগত সাহিত্যৰ বিকাশৰ এক নতুন অধ্যায় মুকলি হৈছিল। উত্তৰ গুপ্ত যুগৰ শাসক সকলে শিক্ষা, সাহিত্য আৰু বিভিন্ন প্ৰকাৰৰ কলাৰ ক্ৰমবিকাশত পৃষ্ঠপোষকতা কৰিছিল।

সাহিত্যৰ দিশৰ পৰা উত্তৰ-গুপ্ত যুগটো ক্রমোন্নতিৰ শীর্ষবিন্দু আছিল। প্রকৃততে, উত্তৰ-গুপ্ত যুগৰ শাসকসকল সংস্কৃত ভাষা আৰু সাহিত্যৰ অনুৰাগী আছিল। তাৰোপৰি এই যুগত সংস্কৃত সাহিত্য, ধর্মনিৰপেক্ষ সাহিত্য আৰু আঞ্চলিক সাহিত্যৰ আৰম্ভণী হৈছিল। সাহিত্যৰ এই বিকাশ উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰততে সমসাময়িকভাৱে হৈছিল।

৮.৩.১ সংস্কৃত সাহিত্য

উত্তৰ গুপ্ত যুগৰ সময়ছোৱাত সংস্কৃত সাহিত্যৰ বিশেষ উন্নতি হৈছিল। এই সময়ছোৱাত সংস্কৃত ভাষাটো উচ্চ আৰু আভিজাত্য সংস্কৃতিৰ সাহিত্যিক মাধ্যম আছিল। এইটো মন কৰিবলগীয়া যে সংস্কৃত সাহিত্য বুলিলে হিন্দু ধর্মৰ সময়ছোৱাৰ সংস্কৃত ভাষাত ৰচিত সাহিত্যক বুজায়। শ্রুতি, বেদ-উপনিষদ আদি সংস্কৃত সাহিত্যৰ অন্তর্গত। লক্ষণীয় যে মুছলমানে জয় কৰাৰ আগতে হিন্দু ধর্মৰ সময়ত নিজে নিজে গা কৰি উঠা ব্রাহ্মণবাদী সমাজৰ প্রধান সাংস্কৃতিক শক্তি হিচাপে সংস্কৃত ভাষা আৰু সাহিত্য বিকশিত হৈছিল। তাৰোপৰি উত্তৰ-গুপ্ত যুগতো সংস্কৃত সাহিত্যৰ ধাৰা অক্ষুন্ন আছিল। গুপ্ত সাম্রাজ্যৰ পতনৰ পিছত অনেক সংখ্যক স্বতন্ত্র আঞ্চলিক ৰাজ্যৰ ৰজা প্রতিষ্ঠিত হৈছিল। খ্রীষ্টিয় সপ্তম শতিকাত উত্তৰ ভাৰতত হর্ষবর্ধন আটাইতকৈ শক্তিশালী ৰজা আছিল। আটাইতকৈ মন কৰিবলগীয়া কথা এইটো যে হর্ষবর্ধন কেৱল বিজেতা বা সাম্রাজ্যৰ প্রতিষ্ঠাপকেই নাছিল, তেওঁ কলা আৰু সাহিত্যৰো পণ্ডিত আছিল। তাৰোপৰি হর্ষবর্ধন অকল কবিয়েই নহয়, তেওঁ আছিল এই সময়ছোৱাৰ কলা আৰু সাহিত্যৰ পৃষ্ঠপোষক। এই সময়ৰ তথ্যৰ পৰা আমি জানিবলৈ পাওঁ যে হর্ষবর্ধনে সংস্কৃত ভাষাত তিনিখন নাটক ৰচনা কৰিছিল ঃ 'ৰত্নাৱলী', 'প্রিয়দর্শিকা' আৰু 'নাগানন্দা'। তেওঁৰ ৰচিত তিনিওখন নাটকেই ৰোমান্টিক মিলানান্তক। হর্ষবর্ধন সেই সময়ৰ জনপ্রিয় সাহিত্যিক আছিল, সেয়েহে 'গীত গোবিন্দ'ৰ ৰচক জয়দেৱে তেওঁক গুপ্ত যুগৰ মহা পণ্ডিত আৰু সাহিত্যিক কালিদাসৰ সৈতে তুলনা কৰিছিল। একেদৰে তেওঁ কলা আৰু সাহিত্যৰ পণ্ডিতসকলৰ পৃষ্ঠপোষক আছিল। হর্ষবর্ধনে তেওঁৰ ৰাজ সভাত অনেক পণ্ডিত ব্যক্তিক স্থান দিছিল। তাৰ ভিতৰত বাণভট্ট আছিল অন্যতম। বাণভট্ট এই সময়ছোৱাৰ প্রধান সংস্কৃত সাহিত্যিকসকলৰ এজন আছিল। 'হর্ষচৰিত' আৰু 'কাদম্বৰী' নামৰ দুখন গ্রন্থ তেওঁ ৰচনা কৰিছিল। মন কৰিবলগীয়া যে ঐতিহাসিক দৃষ্টিভঙ্গীৰে বাণভট্টৰ 'হর্ষচৰিত'ৰ যথেষ্ট গুৰুত্ব আছে। বাণভট্টৰ উপৰিও হর্ষবর্ধন ৰাজসভাৰ শোভাবর্দ্ধন কৰা অন্য পণ্ডিত কেইগৰাকী হ'ল - দিৱাকৰ, মন্টাঙ্গ, বৃহৎ হৰি, জয়সেনা আদি। উত্তৰ গুপ্ত যুগৰ সংস্কৃত সাহিত্যৰ ক্রমবিকাশত এই পণ্ডিত কেইগৰাকীৰ যথেষ্ট অৱদান আছে।

বুদ্ধানভামিনৰ 'শ্লোকসমগ্র' ক্ষেমেন্দ্রৰ 'বৃহৎ কথামঞ্জৰী' আৰু সোমদেৱৰ 'কথাচৰিৎ সাগৰ' আদি সংস্কৃত ভাষাত ৰচিত এই সময়ছোৱাৰ উল্লেখযোগ্য গ্রন্থ। সেইদৰে, কাব্যৰ উল্লেখযোগ্য ধাৰা 'ধ্বনি' আনন্দবর্দ্ধনৰ সৈতে সম্পর্কযুক্ত, এই জনপ্রিয় সাহিত্যিক

গৰাকীৰ 'ধ্বন্যালোক' গ্ৰন্থখন সংস্কৃত কাব্যৰ অতি প্ৰয়োজনীয় সাহিত্যকৰ্ম। আনন্দবৰ্দ্ধনৰ 'ধ্বন্যালোক' গ্ৰন্থখন কাব্যজগতৰ পৰৱৰ্তী সাহিত্যিকসকলৰ বাবে পথপ্ৰদৰ্শক স্বৰূপ হৈ পৰিছিল। তাৰোপৰি ৰাজশেখৰ আন এগৰাকী বিশ্বজনীন পণ্ডিত আছিল। তেওঁ 'কাব্য-মীমাংসা' গ্ৰন্থৰ ৰচক আছিল, এই গ্ৰন্থখন কবিসকলৰ হাতপুথি আছিল।

এইবোৰৰ উপৰি 'ভাষাৰ বিজ্ঞান' হিচাপে বিবেচিত ব্যাকৰণো সংস্কৃত সাহিত্যৰ অন্যতম প্ৰশাখা আছিল। ব্যাকৰণক 'ৱেদৰ মুখ' হিচাপে জনা যায়। উত্তৰ গুপ্ত যুগৰ সময়ছোৱাত তিনিগৰাকী বিদ্বান ব্যাকৰণবিদ আৰু দাৰ্শনিক আছিল - পাণিণি, কাত্যায়ণ আৰু পতঞ্জলি। ভামহো এই সময়ছোৱাৰ অতি জনপ্ৰিয় সংস্কৃত পণ্ডিত আছিল। আমি জানো যে ভাৰতলৈ অহা চীনা পৰিব্ৰাজক আইচিঙক সংস্কৃত ব্যাকৰণৰ জৰিয়তে সংস্কৃত ভাষা শিকোৱা হৈছিল। হলায়ুদৰ 'অভিধান-ৰত্ন-মালা' আন এখন সংস্কৃত ভাষাৰ ব্যাকৰণ। এই গ্ৰন্থখন ৯৫০ খ্ৰীষ্টাব্দত লিখা হৈছিল।

বিভিন্ন সংস্কৃত দৰ্শন শাস্ত্ৰও এই সময়ছোৱাত ৰচিত হৈছিল। ডিমাগাৰ 'ন্যায়-প্ৰকাশ' গ্ৰন্থখন দৰ্শন শাস্ত্ৰৰ স্মৰণযোগ্য গ্ৰন্থ। মন কৰিবলগীয়া যে বহুতো বৌদ্ধধৰ্মী দাৰ্শনিকে তেওঁলোকৰ সাহিত্য চৰ্চাৰ মাধ্যমৰূপে সংস্কৃত ভাষাটো গ্ৰহণ কৰিছিল। এই কথা সৰ্বজন বিদিত যে 'ধৰ্মশাস্ত্ৰ' গ্ৰন্থখনে হিন্দুৰ জীৱনত এক সুদূৰ প্ৰসাৰী প্ৰভাৰ পেলাইছিল।

ৰাজপুত ৰজাসকল পণ্ডিতসকলৰ প্ৰধান পৃষ্ঠপোষক আছিল। তাৰোপৰি তেওঁলোক নিজেই একো একোজন সংস্কৃত পণ্ডিত আছিল। ৰাজপুত ৰজা ভকপতি মুঞ্জ (৯৭২-৯৯০ খ্ৰীষ্টাব্দ) যাক দ্বিতীয় ভকপতি নামেৰেও জনা যায়, এজন সংস্কৃত কবি আৰু পণ্ডিত আছিল। শোভান ধনিক, পদ্মগুপ্ত, অমিতগতি আৰু ধনঞ্জয় আদি সংস্কৃত কবিসকলে তেওঁৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। পদ্মগুপ্তই 'নৱশশাংক চৰিত' গ্ৰন্থ ৰচনা কৰিছিল। সেইদৰে ভোজ সংস্কৃত ভাষাৰ এগৰাকী ডাঙৰ পণ্ডিত আছিল। উল্লেখযোগ্য, ভোজ পৰমৰা ৰাজবংশৰ এগৰাকী ভাৰতীয় ৰজা আছিল আৰু তেওঁ সাহিত্যিক অৱদানৰ বাবেহে অধিক জনা যায়। ভোজে মুঠ ৮৪ (চৌৰাশী) খন গ্ৰন্থ ৰচনা কৰিছিল। ভোজৰ ৰচিত কেইখনমান গ্ৰন্থ হ'ল - 'ভোজবালা ভীম' (জ্যোতিষ বিষয়ক) 'চম্পূ-ৰামায়ণ' (গদ্য-পদ্যৰ মিশ্ৰণেৰে ৰামায়ণৰ পুনৰ কথন), 'চাৰুচাৰ্য্য' (ব্যক্তিগত স্বাস্থ্য বিষয়ক), 'গোবিন্দ বিলাস' (কাব্য), 'নাম-মালিকা' (কোষৰচনা), 'সমৰঙ্গনা-কথা', 'সৰস্বতী-কণ্ঠাভৰণ'। মন কৰিবলগীয়া যে 'সৰস্বতী-কণ্ঠাভৰণ'খন কাব্য ৰচনাৰ সংস্কৃত ব্যাকৰণৰ প্ৰকৰণ গ্ৰন্থ।

ৰাজপুতৰ সময়ছোৱাত কিছুসংখ্যক পণ্ডিত সাহিত্যৰ ক্ৰমবিকাশত প্ৰভূত অৱদান আগবঢ়াইছিল। ভট্টীৰ 'ৰাৱণ-বধ', মাঘাৰ 'চিৰুপালভাধা', শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত' জয়দেৱৰ 'গীত-গোবিন্দ'; ধৰ্মপালৰ 'তিলকমঞ্জৰী' আদি এই সময়ছোৱাৰ উল্লেখযোগ্য

সংস্কৃত গ্রন্থ।

সেইদৰে, এইসময়ছোৱাত বিভিন্ন সংস্কৃত নাটকো ৰচিত হৈছিল। ভৱভূতি অষ্টম শতিকাৰ প্রসিদ্ধ নাট্যকাৰ আছিল। তেওঁৰ ৰচিত নাটকসমূহ কালিদাসৰ নাটকৰ সমপর্য্যায়ৰ হিচাপে বিবেচিত। তেওঁ 'মহাবীৰ চৰিত', 'মালতীমাধৱ', 'উত্তৰ-ৰামচৰিত' আদিৰ দৰে জনপ্রিয় গ্রন্থসমূহ ৰচনা কৰিছিল।

তাৰোপৰি, নাৰায়ণ পণ্ডিতৰ 'হিতোপদেশ', সোমদেৱৰ 'কথা চৰিৎসাগৰ' আদি এই সময়ছোৱাৰ আটাইতকৈ উল্লেখযোগ্য গ্রন্থ।



জানি থোৱা ভাল

ভাৰতীয় ৰজা ভোজ পৰমৰা ৰাজবংশৰ ৰজা আছিল আৰু খ্রীষ্টীয় ১০১০ শতিকাৰ পৰা ১০৫৫ লৈ ৰাজত্ব কৰিছিল। ধৰ-নগৰ (আধুনিকধৰ) আছিল তেওঁৰ ৰাজ্যৰ ৰাজধানী চহৰ। কলা আৰু সাহিত্যৰ পৃষ্ঠপোষকৰূপে ৰজা ভোজ জনাজাত আছিল। তেওঁ 'ভোজ-শালা' নামেৰে বিখ্যাত সংস্কৃত অধ্যয়ন কেন্দ্র স্থাপন কৰিছিল। মন কৰিবলগীয়া যে, ভাৰতবর্ষৰ ইতিহাসৰ বিভিন্ন ৰজাই ভোজক অনুকৰণ কৰিছিল। যেনে - কৃষ্ণদেৱৰায়, বিজয় নগৰ সাম্রাজ্যৰ এই বিখ্যাত ৰজাজনক অভিনৰ ভোজ (নতুন ভোজ) আৰু সকল কলা ভোজ বুলি অবিহিত কৰা হৈছিল।

অনুশীলনী ৮.১

উত্তৰ গুপ্তযুগৰ সংস্কৃত সাহিত্যৰ এখন তালিকা প্রস্তুত কৰা।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১.'প্রিয়দর্শিকা' নাটকখনৰ লেখক কোন?

_____

প্রশ্ন ২.ৰাজশেখৰ কোন আছিল?

_____

প্রশ্ন ৩.সংস্কৃত সাহিত্যৰ কোনটো শাখাক ' বেদৰ মুখ' বুলি কোৱা হয়?

_____

প্রশ্ন ৪.ভকপতি মুঞ্জা কোন আছিল?

_____

প্রশ্ন ৫.'ভোজ-শালা'ৰ প্রতিষ্ঠাপক ৰজাজনৰ নাম কি?

_____

৮.৩.২ (তামিল) সঙ্গম সাহিত্য



জানি থোৱা ভাল

'সঙ্গম' শব্দটোৱে 'মিলন' বুজায়। দক্ষিণ ভাৰতীয় ইতিহাসত, সঙ্গম মানে বিদ্বান পণ্ডিতৰ সভাক বুজায়।

এই অধ্যায়ত খ্ৰীষ্টিয় ৬০০ ৰ পৰা ১২০০ লৈ উত্তৰ-গুপ্ত যুগৰ তামিল সাহিত্য সম্পৰ্কে বিশেষভাৱে আলোকপাত কৰা হৈছে। ষষ্ঠ শতিকাৰ ভিতৰত আৰ্য্যসকলে তামিলকম (তামিল ভূমি)ৰ প্রায় সমগ্র অংশত প্রৱেশ কৰিছিল আৰু উত্তৰ-সঙ্গম সাহিত্যত আৰ্য্য সংস্কৃতিৰ কিছু দিশ সন্নিৱিষ্ট হৈছে। খ্ৰীষ্টিয় প্রথম শতিকাৰ পৰা নৱম শতিকাৰ ভিতৰত ৰচিত পাঁচখন তামিল মহাকাব্যত সংস্কৃত ভাষাৰ প্রভাৱ বিদ্যমান। পাঁচখন মহাকাব্যৰ ভিতৰত লিঙ্গো আদিগাল ৰচিত 'শিলাপ্পটিকৰম' খন বিশেষ উল্লেখযোগ্য। অন্য চাৰিখন মহাকাব্য হ'ল - 'মণিমেগলয়', 'চিভাক চিন্তামণি', 'ভলয়পথি' আৰু 'কুণ্ডলকেশা'।

তামিল সাহিত্যৰ পৰৱৰ্তী বর্ষানুক্রমিক ইতিহাস খ্ৰীষ্টিয় ৫০০ ৰ পৰা ৮৫০ লৈ পৰিব্যাপ্ত আছিল। এই সময়ছোৱা জৈনধর্ম আৰু বৌদ্ধধর্মৰ। তামিল সাহিত্যৰ ভিতৰত নীতি আৰু প্রশাসন বিষয়ক তিৰুভল্লুভাৰ 'কুৰেল' উল্লেখযোগ্য আছিল। এই গ্রন্থৰ গ্রন্থকাৰগৰাকী সম্ভৱত ঃ জৈন পণ্ডিত আছিল। সেইদৰে, খ্ৰীষ্টিয় ৬৫০ ৰ পৰা ৭৫০ ৰ মাজভাগত তামিল গ্রন্থ কিছুমানো ৰচিত হৈছিল। যেনে - 'কৰ-নৰপড়ু', এইখন হ'ল প্রেমবিষয়ক কাব্য, প্রিয়জনৰ অনুপস্থিতিত নায়িকাৰ কৰুণ কাহিনী কাব্যখনত বর্ণিত হৈছে। তাৰোপৰি, পদুমনৰ দ্বাৰা ৰচিত 'নলদী' এখন জৈন সংকলন (৪০০ ছন্দ)। বৈষ্ণৱ কবি ভিলম্বী নগনৰে 'ননমণিক্কডিগয়' গ্রন্থ ৰচনা কৰিছিল। এইখন উত্তৰ-গুপ্ত যুগৰ উচ্চমানৰ গ্রন্থ আছিল।

উত্তৰ গুপ্ত যুগত তামিল সাহিত্যৰ বিকাশত জৈন লেখক তোলামোলিয়ে যথেষ্ট অৰিহণা যোগাইছিল। চোলা ৰাজবংশৰ কবি সাহিত্যিক কলিঙ্গ ট্রুপ্পর্ণিয়েও তামিল সাহিত্যৰ বিকাশত অৱদান আগবঢ়াইছিল। কুটোটুঙ্গ ৰচিত 'জয়ঙ্গোন্দৰ' হ'ল কলিঙ্গ যুদ্ধ বিষয়ক কবিতা। তৃতীয় কুটোটুঙ্গৰ ৰাজসভাৰ কবি কম্বন আছিল তামিল ৰামায়ণ বা 'ৰামাৱতাৰম'ৰ বিখ্যাত গ্রন্থকাৰ।

তামিল ব্যাকৰণৰ ক্ষেত্রত দশম শতিকাৰ জৈন পণ্ডিত ৰচিত 'য়াপ্পাৰুঙ্গলম' আৰু 'য়াপ্পাৰুঙ্গলক্কৰিগয়' উল্লেখযোগ্য। তেওঁ চোলা ৰাজবংশৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।

উল্লেখযোগ্য যে উত্তৰ-গুপ্ত যুগত বিভিন্ন শৈৱ নৈনমাৰ আৰু বৈষ্ণৱ আলৱাৰে সঙ্গম (তামিল) সাহিত্যৰ বিকাশত যথেষ্ট অৱিহণা আগবঢ়াইছিল। তাৰোপৰি এই সময়ছোৱাৰ অন্য এগৰাকী জনপ্রিয় পণ্ডিত সুন্দৰৱে 'তিৰুত্তোন্দার্তোকয়' নামৰ গ্রন্থ লিখিছিল, এই গ্রন্থখনত বাষষ্ঠী গৰাকী শৈৱ নৈনমাৰৰ বিশদ তালিকা আছে। অষ্টম শতিকাৰ তিৰুমঙ্গায় আলৱাৰ এগৰাকী বিদগ্ধ পণ্ডিত আছিল আৰু তেওঁৰ সাহিত্যকর্মই 'দিয়াপ্রভন্দম'ৰ এক তৃতীয়াংশ অধিকাৰ কৰিছিল। সেইদৰে, নৱম শতিকাৰ তামিল পণ্ডিত নম্মলৱাৰে বিখ্যাত 'তিৰুভইমলি' গ্রন্থ ৰচিছিল।

এনেদৰে উত্তৰ-গুপ্ত যুগত দক্ষিণ ভাৰতত সঙ্গম (তামিল) সাহিত্য ক্রমবিকশিত হৈছিল। তামিল ভূমিৰ সমাজ ৰাজনীতি আৰু অর্থনৈতিক জীৱন সম্পর্কে সঙ্গম সাহিত্যই আমাক অৱগত কৰায়। পাণ্ডিয়া, চোলা আৰু চেৰা ৰাজ্যৰ উৎপত্তি আৰু বিকাশ সম্পর্কে বুজিবলৈ সঙ্গম সাহিত্যই সহায় কৰে।



জানি থোৱা ভাল

প্রাচীন তামিল সাহিত্যই তিনিটা প্রধান তামিল সঙ্গম বা তামিল সংস্থাৰ বিষয়ে অৱগত কৰায়।

পৰাক্রমী পাণ্ডিয়া ৰজা মাকির্থীৰ পৃষ্ঠপোষকতাত মাদুৰাইত প্রথম তামিল সঙ্গম অনুষ্ঠিত হৈছিল। পাণ্ডিয়া ৰাজ্যৰ ৰাজধানী কপতপুৰমত দ্বিতীয়খন তামিল সঙ্গম প্রতিষ্ঠা হৈছিল।

তৃতীয় আৰু অন্তিমখন সঙ্গম মাদুৰাইত অনুষ্ঠিত হৈছিল।

৮.৩.৩ গুপ্ত যুগত ধর্মনিৰপেক্ষ সাহিত্য

ধর্মনিৰপেক্ষ সাহিত্য মানে হ'ল সেইবোৰ সাহিত্য যি কোনো ধর্মীয় বিশ্বাস বা ঘটনাৰ সৈতে জড়িত নহয়। এইবিধ সাহিত্যক অনাধর্মীয় সাহিত্য হিচাপেও জনা যায়। ঐতিহাসিক ব্যক্তিৰ জীৱনী বিজ্ঞান বিষয়ক গ্রন্থ আৰু চিকিৎসা শাস্ত্র আদি ধর্মনিৰপেক্ষ সাহিত্যৰ অন্তর্গত। সংস্কৃত সাহিত্যৰ পৰিৱর্তে উত্তৰ গুপ্ত যুগত অনেক সংখ্যক ধর্মনিৰপেক্ষ সাহিত্য সৃষ্টি হৈছিল। এই সময়ছোৱাত ধর্মনিৰপেক্ষ সাহিত্য যথেষ্ট টনকিয়াল হৈছিল। সংস্কৃত আৰু ধর্মীয় সাহিত্যৰ দৰে উচ্চমানবিশিষ্ট ধর্মৰিৰপেক্ষ সাহিত্য সৃষ্টি হৈছিল।

উত্তৰ গুপ্ত যুগত, বাণভট্ট সুবিখ্যাত সংস্কৃত পণ্ডিত আছিল। জীৱনীমূলক সাহিত্য

ৰচনাত বাণভট্টৰ যথেষ্ট অৱদান আছে। আমি জানো যে, সপ্তম শতিকাৰ হৰ্ষবৰ্দ্ধনৰ শাসনকালত বাণভট্ট ৰাজসভাৰ আগশাৰীৰ কবি-সাহিত্যিক আছিল। সপ্তম শতিকাৰ শেষৰফালে তেওঁ 'হৰ্ষচৰিত' হ'ল ভাৰতীয় শাসক হৰ্ষবৰ্দ্ধনৰ জীৱনী। অলংকাৰ আৰু কল্পনাৰ ৰহণ সানি পদ্যময় গদ্যৰে পুথিখন ৰচনা কৰা হৈছে। বাণভট্টৰ বৰ্ণনা পৃষ্ঠপোষক ৰজা হৰ্ষবৰ্দ্ধনৰ প্ৰশংসাত নিৰপেক্ষ নহয় আৰু সম্ৰাট হৰ্ষবৰ্দ্ধনৰ জীৱনক গ্ৰন্থখনত পক্ষপাতিত্বমূলকভাৱে উজ্বলাই তোলা হৈছে। পৰৱৰ্তী সময়ত, ১৮৯৭ চনত 'হৰ্ষচৰিত' গ্ৰন্থখন এডৱার্দ বাইল্চ কোৱেল আৰু ফ্রেডাৰিক থমাচে ইংৰাজীলৈ অনুবাদ কৰিছিল।

উত্তৰ গুপ্ত যুগত, বিলহান এগৰাকী অতি উল্লেখযোগ্য সাহিত্যিক আছিল। তেওঁ সোমেশ্বৰ কল্যাণীৰ চালুক্য ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। সেয়েহে, তেওঁক পৃষ্ঠপোষক ৰজাই 'বিদ্যাপতি' উপাধি প্ৰদান কৰিছিল। তেওঁ 'বিক্ৰমঙ্গদেৱ চৰিত' ৰচনা কৰিছিল। এইখন ষষ্ঠ বিক্ৰমাদিত্যৰ অতি উপযোগী জীৱনীগ্ৰন্থ। 'বিক্ৰমঙ্গদেৱ চৰিত' গ্ৰন্থক বুৰঞ্জী বুলিব পৰা নাযায়, কাৰণ এইখন গ্ৰন্থত ৰজা বিক্ৰমাদিত্যৰ বিশেষ বৰ্ণনা আছে। এনেদৰে বিলহানৰ সাহিত্যই প্ৰাচীন ভাৰতৰ ধৰ্মনিৰপেক্ষ সাহিত্যক্ষেত্ৰলৈ বৃহৎ বৰঙণী আগবঢ়াইছিল।

ভুলোকমল্ল সোমেশ্বৰ তৃতীয়, নিজেই এগৰাকী লেখত ল'বলগীয়া লেখক সাহিত্যিক আছিল। তেওঁ এখন বিশ্বকোষ প্ৰণয়ণ কৰিছিল, সেইখনক 'অভিলাসীতৰ্থ চিন্তামণি' আৰু 'মনচোল্লাসা' নামে জনা যায়। এই গ্ৰন্থখনত ৰাজকীয় কৰ্তব্য, প্ৰশাসন, প্ৰশাসক, নীতি-নিয়ম, অৰ্থনীতি, জ্যোতিষ অলংকাৰ আৰু চিত্ৰকলা বিষয়ক অতি গুৰুত্বপূৰ্ণ তথ্য আছে। তেওঁ তেওঁৰ দেউতাক অসম্পূৰ্ণ জীৱনী গ্ৰন্থ এখনো ৰচনা কৰিছিল, ১৯২৫ চন প্ৰাপ্ত এই জীৱনী গ্ৰন্থখনৰ নাম 'বিক্ৰমাঙ্কফুদয়'।

কলহন আছিল উত্তৰ-গুপ্তযুগৰ এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক। 'ৰাজতৰঙ্গিনী' তেওঁৰ জনপ্ৰিয় গ্ৰন্থ আছিল। এই গ্ৰন্থখন ৰচনা কৰোঁতে তেওঁ দুবছৰ সময় লৈছিল। কলহনে ১১৪৯-১১৫০ সময়ছোৱাত এই গ্ৰন্থ লিখি উলিয়াইছিল। এই গ্ৰন্থখনত লেখকে তেওঁ দেখা কাশ্মীৰৰ ৰজাসকলৰ বিশদ বৰ্ণনা কৰিছে। গ্ৰন্থখনত ভাৰতৱৰ্ষৰ অন্য অঞ্চলৰ বুৰঞ্জীৰ কথা প্ৰাসঙ্গিকভাৱে উল্লেখ কৰা হৈছে। সেয়েহে, দিলীপ কে. চক্ৰৱৰ্তীয়ে মন্তব্য কৰিছে এনেদৰে - "দ্বাদশ শতিকাৰ কাশ্মীৰৰ বুৰঞ্জী কলহনৰ 'ৰাজতৰঙ্গিনী'ৰ বাহিৰে অন্য কোনো গ্ৰন্থ নাই য'ত ভাৰতৰ কোনো এক অংশৰ ৰাজকীয় বুৰঞ্জী লিখা আছে।" (চক্ৰৱৰ্তী, কে, দিলীপ ঃ ২০১৮ ঃ পৃষ্ঠা ২৬৫)

কলহনে অকল চৰকাৰী বুৰঞ্জী লিখাৰ প্ৰথা প্ৰতিষ্ঠা কৰাই নহয়, তেওঁৰ লিখনি মূলতঃ তাৰ ওপৰতে নিৰ্ভৰ আছিল। নিৰপেক্ষতা তেওঁৰ ৰচনাৰ এক বিশেষ বৈশিষ্ট্য আছিল।

সন্ধ্যাকৰ নন্দী উত্তৰ-গুপ্ত যুগৰ অন্য এগৰাকী জনপ্ৰিয় সাহিত্যিক আছিল। তেওঁ জনপ্ৰিয় জীৱনীগ্ৰন্থ 'ৰামচৰিত' ৰচনা কৰিছিল। তেওঁৰ গ্ৰন্থখনত বঙ্গৰ শাসক ৰামপালৰ

শাসনকালৰ তথ্যসমূহ উপস্থাপন কৰিছে। সন্ধ্যাকৰ নন্দীৰ গ্ৰন্থখনৰ উল্লেখনীয় দিশ হ'ল তেওঁ 'ৰামচৰিত'ত কোনো ঈশ্বৰ সম্পৰ্কীয় কথা লিখা নাই।

কানাড়া ভাষাতো জীৱনীমূলক সাহিত্য পোৱা গৈছিল। কানাডাৰ প্ৰথম জীৱনীমূলক গ্ৰন্থখন হ'ল শিৱাকোটিৰ 'ভদ্দাৰাধানে', এইখন ৯০০ খ্ৰীষ্টাব্দত লিখা হৈছিল। এইখন হ'ল জৈনধৰ্মীয় মহাপুৰুষৰ গদ্যত ৰচিত জীৱনীগ্ৰন্থ।

উত্তৰ-গুপ্ত যুগত জ্যোতিষ শাস্ত্ৰ আৰু অংক শাস্ত্ৰৰ দিশতো অভূতপূৰ্ব বিকাশ হৈছিল। ভাস্কৰাচাৰ্য্যৰ ৰচিত 'লীলাৱতী' আৰু 'বীজগণিত' (সিদ্ধান্ত-শিৰোমণিৰ দুটা অধ্যায়) এই যুগৰ দুখন উল্লেখযোগ্য গণিত শাস্ত্ৰ। সপ্তম শতিকাৰ ব্ৰহ্মগুপ্ত, নৱম শতিকাৰ মহাবীৰ - এই দুগৰাকী হ'ল উত্তৰ-গুপ্ত যুগৰ বিখ্যাত ভাৰতীয় গণিতজ্ঞ। চাভুনদাৰ্য্যই বিখ্যাত গ্ৰন্থ 'লোকপকড়' ৰচনা কৰিছিল, এই গ্ৰন্থখন দৈনন্দিন জীৱনৰ বিভিন্ন বিষয় যেনে - জ্যোতিষ আৰু জ্যোতিৰ্বিজ্ঞান, ভাস্কৰ্য্য, বিষবিজ্ঞান আদিৰ হাতপুথিস্বৰূপ।

এই সময়ছোৱাত প্ৰাচীন কালৰ আয়ুৰ্বেদ বিষয়ক বিভিন্ন গ্ৰন্থও ৰচিত হৈছিল। মাধৱকৰৰ 'ৰুগীভিনিচ্ছায়া' হ'ল স্বাস্থ্য বিজ্ঞানৰ অতি প্ৰয়োজনীয় গ্ৰন্থ। তাৰোপৰি, ভোজ ৰজাৰ 'চালিহোত্ৰ' হ'ল উত্তৰ-গুপ্তযুগৰ অন্য এক উল্লেখযোগ্য গ্ৰন্থ। কামসূত্ৰ আৰু যৌনবিজ্ঞান যে কোক্কাকা বা ককা পণ্ডিতেও 'ৰতিৰহস্য' নামেৰে যৌনবিষয়ক গ্ৰন্থ ৰচনা কৰিছিল।

সেইদৰে উত্তৰ গুপ্তযুগত অৰ্থশাস্ত্ৰ আৰু আইন সম্পৰ্কীয় বিভিন্ন গ্ৰন্থও ৰচিত হৈছিল। অষ্টম শতিকাত ৰচিত কমদকৰ 'নীতিচৰ' ৰাজনীতি বিষয়ক এখন উল্লেখযোগ্য গ্ৰন্থ সোমদেৱসূৰীৰ 'নীতিবাক্যামৃত' হ'ল নীতি আৰু ৰাজনীতি বিষয়ক এক উল্লেখযোগ্য গ্ৰন্থ। বিজ্ঞানেশ্বৰে 'মিতাক্ষৰ' নামৰ উচ্চমানৰ এখনি গ্ৰন্থ ৰচনা কৰিছিল। এনেদৰে উত্তৰ গুপ্ত যুগৰ ধৰ্মনিৰপেক্ষ সাহিত্যৰ দিশত উন্নয়ন হৈছিল।

অনুশীলনী ৮.২

গুপ্তসকলৰ পৰৱৰ্তী যুগৰ ধৰ্মনিৰপেক্ষ সাহিত্যৰ এখনি তালিকা প্ৰস্তুত কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ শুদ্ধ নে অশুদ্ধ লিখক —

(i) 'বিক্রমাঙ্গদেৱ চৰিত' গ্রন্থখন ষষ্ঠ বিক্রমাদিত্যৰ জীৱনীমূলক গ্রন্থ।

(ii) 'জয়ঙ্গোন্দৰ' হ'ল কুটোটুঙ্গ ৰচিত কলিঙ্গ যুদ্ধ বিষয়ক কাব্য।

(iii) কলহনৰ 'তিলকমঞ্জৰী' হ'ল উত্তৰ-গুপ্ত যুগৰ সংস্কৃত গ্রন্থ।

প্রশ্ন ৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

(i) ..... 'শিলপ্পটিকৰম' গ্রন্থ ৰচনা কৰিছিল। (লিঙ্গেণ আদিগল/বিলহন)

(ii) অমিত সাগৰ দশম শতিকাৰ ..... পণ্ডিত আছিল। (জৈন/বৌদ্ধ)



৮.৪ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে -

- গুপ্তসকলৰ পৰৱৰ্তী যুগত সংস্কৃত সাহিত্যই উৎকর্ষ লাভ কৰিছিল। এই সময়ছোৱা গদ্য-পদ্য উভয়বিধ ৰচনাৰ বাবে জনাজাত। উত্তৰ-গুপ্ত যুগত সংস্কৃত ভাষা আছিল ভাৰতৰ উচ্চ আৰু অঙ্গভিজাত্য সংস্কৃতি প্রকাশৰ মাধ্যম। পৌৰাণিক কাহিনী বা ধর্মীয় আৰু দার্শনিক বিষয়বস্তুক ভিত্তি কৰি ৰচিত দীঘল-অলংকাৰপূর্ণ কাব্য সংস্কৃত সাহিত্যৰ অন্তর্ভুক্ত।
- গুপ্তোত্তৰ যুগতেই চোলা আৰু পাণ্ডিয়া সাম্রাজ্যৰ পৃষ্ঠপোষকতাত সঙ্গম (তামিল) সাহিত্য ৰচিত হৈছিল। আটাইতকৈ পুৰণি তামিল সাহিত্য সঙ্গম সাহিত্যৰ অন্তর্গত আৰু এই সাহিত্য প্রেম, যুদ্ধ, বাণিজ্য, ভৌতিক সংস্কৃতি আদি বিষয়ক আছিল।
- গুপ্তসকলৰ পৰৱৰ্তী যুগত ধর্মনিৰপেক্ষ সাহিত্যৰ ক্ষেত্রত পৰিৱর্তনে দেখা দিছিল। এই সময়ছোৱাত জ্যোতিষ, জ্যোতির্বিজ্ঞান, চিকিৎসা, বুৰঞ্জী আৰু বিজ্ঞান বিষয়ক বিভিন্ন গ্রন্থ ৰচিত হৈছিল।



৮.৫ অধিক জানিবলৈ

1) Sharma, R.S. (2005). *India's Ancient Past*. New Delhi, India. Oxford University Press.

2) Singh, Upinder (2009). *A History and Early Medieval India : From the Stone Age to the 12th Century*. New Delhi, India. Pearson Education India.

3) Thapar, Romila. (2018). *Indian Culture as Heritage : Centemporary Past*. Delhi, India : Aleph Book Company.



৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রঃ উঃ হর্ষবর্দ্ধন।

২ নং প্রঃ উঃ ৰাজশেখৰ আছিল সূত্রব্যাখ্যাকাৰক পণ্ডিত। তেওঁ 'কাব্য-মীমাংসা' গ্রন্থৰ ৰচক আছিল।

৩ নং প্রঃ উঃ 'বেদৰ মুখ' বুলি ব্যাকৰণক কোৱা হয়।

৪ নং প্রঃ উঃ ৰাজপুত ৰজা ভকপতি মুঞ্জা (৯৭২-৯৯০ খ্রীষ্টাব্দ) যাক দ্বিতীয় ভকপতি নামে জনা যায়, তেওঁ এগৰাকী সংস্কৃত কবি আৰু পণ্ডিত আছিল। সংস্কৃত কবি শোভন, ধনিক, পদ্ম গুপ্তা, অমিতগতি, ধনঞ্জয় আদিয়ে তেওঁৰ পৃষ্ঠপোষকতাত সাহিত্য-চর্চা কৰিছিল।

৫ নং প্রঃ উঃ ভোজ পৰমৰ ৰাজবংশৰ ভাৰতীয় ৰজা আছিল।

৬ নং প্রঃ উঃ (i) শুদ্ধ
(ii) শুদ্ধ
(iii) অশুদ্ধ

৭ নং প্রঃ উঃ (i) লিঙ্গো-আদিগল।
(ii) জৈন পণ্ডিত।



৮.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'গীত-গোবিন্দ' গ্রন্থৰ গ্রন্থকাৰ কোন?

প্রশ্ন ২ ঃ কামশাস্ত্র বা যৌন বিষয়ক বিখ্যাত গ্রন্থৰ নাম লিখক।

প্রশ্ন ৩ ঃ 'লীলাৱতী' নামৰ বিখ্যাত গণিতশাস্ত্র কোনে ৰচনা কৰিছিল?

প্রশ্ন ৪ ঃ বাণভট্ট কোন?

প্রশ্ন ৫ ঃ 'তিৰুভইমলি' গ্রন্থখন কোনে ৰচনা কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতৰ দুগৰাকী ব্যাকৰণবিদৰ নাম লিখক।

প্ৰশ্ন ২ ঃ উত্তৰ-গুপ্ত যুগৰ দুগৰাকী প্ৰধান গণিতজ্ঞৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ কলহন কোন?

প্ৰশ্ন ৪ ঃ সঙ্গম সাহিত্যক পৃষ্ঠপোষকতা প্ৰদান কৰা তিনিখন ৰাজ্যৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক

(i) ৰাজতৰঙ্গিনী

(ii) বিলহন

(iii) ভোজ

(iv) ভূলোকমল্ল সোমেশ্বৰ তৃতীয়

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উত্তৰ-গুপ্ত যুগৰ সংস্কৃত সাহিত্য সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উত্তৰ-গুপ্ত যুগৰ ধৰ্মনিৰপেক্ষ সাহিত্যৰ প্ৰধান বিকাশ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ উত্তৰ-গুপ্ত যুগৰ তামিল সাহিত্যৰ বিকাশ সম্পৰ্কে সমালোচনামূলক বিশ্লেষণ প্ৰস্তুত কৰক।

******



REFERENCES:

অসমীয়া গ্ৰন্থ

- ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্ৰকাশন
- বৰদলৈ, নিৰ্মলপ্ৰভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্ৰেৰী
- ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দৰ্পন;* গুৱাহাটী: বাণী মন্দিৰ
- গগৈ, লীলা; (২০১০); *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা;* ডিব্ৰুগড়: বনলতা প্ৰকাশন
- গোস্বামী, প্ৰফুল্ল দত্ত; (২০১৪); *অসমীয়া জন সাহিত্য;* গুৱাহাটী: বাণী প্ৰকাশ মন্দিৰ
- নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা; (২০০৩); *অসমীয়া সংস্কৃতি;* গুৱাহাটী: বনলতা প্ৰকাশন
- শৰ্মা, নবীন চন্দ্ৰ; (২০১৩); *লোক সংস্কৃতি;* গুৱাহাটী: চন্দ্ৰ প্ৰকাশন
- শৰ্মা, নবীন চন্দ্ৰ; (২০১৪); *অসমৰ লোক সাহিত্য;* গুৱাহাটী: জ্যোতি প্ৰকাশন
- শৰ্মা, শশী; (২০১১); *অসমৰ লোক সাহিত্য;* গুৱাহাটী: ষ্টুডেণ্টচ্' ষ্টোৰ্চ

English Books:

1. Chandra, Satish. (2011): *A History of Medieval India*, Orient Blackswan, New-Delhi
2. Chaudhuri, K.C. (2016): *History of Medieval India*, New Central Book Agency, Kolkata
3. Datta, Birendranath. (2012). C*ultural Contours of North East India*. Oxford University Press, New Delhi: India
4. Farooqui, Salma Ahmed. (2011): *A Comprehensive History of Medieval India*, Pearson, New-Delhi
5. Harle, J.C. (1986). Art and Architecture of the Indian Subcontinent. Penguin Publication, New Delhi: India.
6. Jha, D.N. (1977). *Ancient India: An Introductory Outline*. New Delhi, India: Peoples' Publishing House
7. Kosambi, D.D. (2001): *The Cultural and Civilization of Ancient India in Historical Outline*. New Delhi, India: Vikas Publishing House.
8. Mahanta, P.J. (2007). *The Sankardev Movement: Its Cultural Horizons*. Purbanchal Prakash, Guwahati

9. Maiti, Provatansu. (2014): *Medieval India*, Sreedhar Publishers, Kolkata

10. Majumdar, R.C., Raychaudhuri , H.C.,Datta, K. (1986). *An Advanced History of India*. New Delhi, India: Macmillan India Ltd.

11. Neog, M., (1965). *Sankardev and His Times: Early History of the Vaisnava Faith and Movement in Assam*. Gauhati University, Guwahati

12. Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, India: University of Calcutta.

13. Sarma, S.N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam*. Gauhati University, Guwahati

14. Singh, Upinder. (2009): *A History of Ancient and Early Medieval India, from the Stone Age to the 12th Century*. New Delhi, India: Pearson.

15. Thapar, Romila. (2003): *The Penguin History of Early India: From the origins to AD 1300*. New Delhi, India: Penguin Books.